Agromet Advisory Bulletin : Shillongani Unit: Date: 13.11.2007

তাৰিখঃ ১৩-১১-২০০৭ বতৰৰ বতৰা আৰু কৃষিৰ দিহা

*(আঞ্চলিক কৃষি গৱেষনা কেন্দ্ৰ চিলঙনীৰ সৌজন্যত)*

যোৱা ১২ নৱেম্বৰত শেষহোৱা সপ্তাহটোত নগাঁও অঞ্চলৰ বতৰৰ বিৱৰনী আছিল এনে ধৰণৰঃ গড় সৰ্বোচচ উষ্মতা ৩০·২ ডিঃ ছেঃ , গড় সৰ্বনিম্ন উষ্মতা ১৯·২ ডিঃ ছেঃ , মুঠ বৰষুণৰ পৰিমান ০·০ মিঃ মিঃ, গড় আপেক্ষিক আদ্ৰতা পুৱা ৯৫% আৰু গধূলি ৬৬%।

ভাৰত চৰকাৰৰ দিল্লিস্থ কেন্দ্ৰীয় মধ্যম অৱধি বতৰ পূৰ্বানুমান কেন্দ্ৰৰ পৰা পোৱা বতৰৰ আগলি বতৰা মতে অহা ১৩ আৰু ১৪ নৱেম্বৰত বতৰ ঘাইকৈ ফৰকাল হৈ থাকিব। ১৫ আৰু ১৬নবেম্বৰত পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে । এইসময় ছোৱাত উত্তৰ পশ্চিম দিশৰ পৰা ঘণ্টাত ৩ৰ পৰা ৬ কিলোমিটাৰ বেগত বতাহ বলাৰ সম্ভাৱনা আছে । দিনৰ আৰু নিশাৰ তাপমাত্ৰাৰ পৰিবৰ্তন হব।

*যোৱা সপ্তাহৰ বতৰ আৰু অহা সপ্তাহৰ বতৰৰ সম্ভাব্য অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও আৰু মৰিগাওঁ অঞ্চলৰ কৃষক সকলৰ বাবে আগবঢ়োৱা পৰামৰ্শ সমুহ হল ঃ*

১। কৃষক সকলে ১৩ আৰু ১৪ নৱেম্বৰত পৈনত শালি ধান আৰু মগু মাহৰ শস্য চপাব পাৰে। নহলে ১৫ আৰু ১৬ নৱেম্বৰত হব পৰা বৰষুণৰ বাবে শস্যৰ গুণগত মান বিনষ্ট হব পাৰে।

২। ৰদ ঘাই বতৰৰ সুবিধা গ্ৰহণ কৰি কৃষক সকলে মাহ, তৈল বীজ,ঘেহু, শাক পাছলি আদি ৰবি শস্যৰ বীজ বৰ্তমান পথাৰত সিচিব পাৰে । সিচাৰ আগেয়ে বীজ শোধন কৰাতো বাঞ্ছনীয়।

৩। ঘেহুঁ খেতি কৰিব খোজা কৃষক সকলে বৰ্তমান সময়ত মাটি প্ৰস্তুতিৰ কাম আৰম্ভ কৰাৰ লগতে অনুমোদিত জাতৰ বীজ সংগ্ৰহ কৰক । ১৫ আৰু ১৬ নৱেম্বৰত হব পৰা বৰষুণৰ বাবে বীজ সিচাৰ আগেয়ে প্ৰয়োজন হোৱা জলসিঞ্চনৰ ব্যয় ৰাহি কৰিব পাৰিব।

৪। গাখীৰতী অৱস্থাত থকা ধাননী পথাৰৰ চাৰিও কাষে জুই ধৰি গান্ধী পোকৰ আক্ৰমণ ৰোধ কৰিব পাৰি ।

ডঃ পুতুল চন্দ্ৰ শৰ্মা

ডঃ মানিক চন্দ্ৰ দেৱনাথ